# WORKSHOP ON DEBATE

## ORGANIZED BY STUDENTS UNION, SARAIGHAT COLLEGE ON 19TH SEPTEMBER, 2024

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-14 □ NO-195 □ FRIDAY 20 SEPTEMBER 2024

(গুৱাহাটী সংস্কৰণ/GU

# শৰাইঘাট মহাবিঃত তৰ্ক বিষয়ক কৰ্মশালা



**মহানগৰ ব্যুৰ', ১৯ ছেপ্টেম্বৰ ঃ** শৰাইঘাট মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আজি তৰ্ক বিষয়ৰ ওপৰত এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অসম কৌশল বিকাশ মিছনৰ সহকাৰী পৰিচালক তথা শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পিংকু চৌধুৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তৃতীয় যান্মাসিকৰ ছাত্ৰ তথা তাৰ্কিক মিন্টু ডেকা উপস্থিত থাকে। মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদক কংকন দাসে আঁতধৰা অনুষ্ঠানটোত অধ্যক্ষ ড° মণি শৰ্মাই তৰ্ক প্ৰতিযোগিতাৰ গুৰুত্ব আৰু বৌদ্ধিক বিকাশত ইয়াৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। এই অনুষ্ঠানতে ৰঙিয়াস্থিত মানৱেন্দ্ৰ শৰ্মা মহাবিদ্যালয়ত অনুষ্ঠিত জিলা ভিত্তিক তৰ্ক প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ লাভ কৰা শৰাইঘাট মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ ছাত্ৰী বন্দনা ডেকা আৰু পাৰ্চী বিভাগৰ ছাত্ৰী মেৰিনা বেগমক সম্বৰ্ধনা জনোৱা হয়। সমল ব্যক্তি পিংকু চৌধুৰীয়ে কয় যে কোনো এটা বিষয়ত তৰ্ক কৰাৰ পুৰ্বে উক্ত বিষয়ৰ ওপৰত অধ্যয়ন আৰু তথ্য সমৃদ্ধ যুক্তি উপস্থাপন আৰু সাৱলীল মাৰ্জিত ভাষা প্ৰয়োগেৰে যুক্তি খণ্ডন কৰিব পাৰিলেহে তৰ্কত সফলতা অৰ্জন কৰিব পাৰি। আনগৰাকী সমল ব্যক্তি মিন্টু ডেকাই নিজৰ বক্তব্যত তৰ্ক প্ৰতিযোগিতালৈ গ'লে প্ৰথমতে শিকিম বুলিহে যোৱা উচিত আৰু একেদিনাই সফলতাৰ আশা কৰাও অনুচিত বুলি উল্লেখ কৰি যুক্তি আগবঢ়োৱা আৰু খণ্ডনৰ সময়ত কণ্ঠস্বৰ নিম্ন আৰু উচ্ছ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া উচিত বুলি মন্তব্য কৰে। অনুষ্ঠানৰ সামৰণিত তৰ্ক বিভাগৰ তত্ত্বাৱধায়ক ড° জিতুল আলীয়ে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটোত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।